# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-10-2024

**Time :** 1845 Hrs.

***Assamese Evening Bulletin***
***Headlines***

::::::::::::::::::::::::::::::::::

১। ৰাজ্যিক কৰ্মচাৰীসকলৰ মৰগীয়া বানচ বৃদ্ধি, ৰাস মহোৎসৱৰ সমিতিলৈ সাহায্য ঘোষণাকে ধৰি অসম মন্ত্ৰীসভাৰ বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত।

২। উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ নতুন প্ৰজন্মই নৱ জাগৰণ সৃষ্টিৰ বাবে আগুৱাই আহিব লাগিব বুলি উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ৰ প্ৰকাশ।

৩। আকাশবাণীৰ দ্বাৰা প্ৰচাৰিত মন কী বাতত প্ৰৱঞ্চনামূলক ফোন লাভ কৰিলে ভিতিগ্ৰস্ত নহবলৈ জনসাধাৰণৰ প্ৰতি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বান।

৪। ৰাজ্যৰ চতুৰ্থ বৰ্গৰ মুঠ ৫ হাজাৰ ২৩টা খালী পদৰ বাবে লিখিত পৰীক্ষা সম্পন্ন।

*আৰু*

৫। আহমেদাবাদত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত ভাৰতৰ বিৰুদ্ধে নিউজিলেণ্ডৰ ২৫৯ ৰাণ সংগ্ৰহ।

০০০০

গুৱাহাটীৰ লোকসেৱা ভৱনত অনুষ্ঠিত ৰাজ্যিক কেবিনেটৰ বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। কেবিনেটে ৰাজ্য চৰকাৰৰ অধীনৰ কৰ্মচাৰীসকলৰ মৰগীয়া বানচ ৩ শতাংশ বৃদ্ধিৰ প্ৰস্তাৱত অনুমোদন জনাইছে। এই সিদ্ধান্ত চলিত বছৰৰ ১ জুলাইৰ পৰা প্ৰযোজ্য হ'ব। অৱশ্যে কৰ্মচাৰীসকলে পহিলা ডিচেম্বৰৰ পৰা বৰ্ধিত হাৰত মৰগীয়া বানচ লাভ কৰিব আৰু বাকী ৪ মাহৰ বাবে কৰ্মচাৰীসকলক ৪ টা কিস্তিত বকেয়া প্ৰদান কৰা হ'ব। ৰাজ্য চৰকাৰে এই বৃদ্ধিৰ বাবে বছৰি অতিৰিক্ত ৮ কোটি ৫০ লাখ টকা ব্যয় কৰিব।

বাইট (হিমন্ত বিশ্ব শৰ্মা)

কেবিনেটে কমনৱেল্‌থ গেমছ আৰু অলিম্পিকত দেশক প্ৰতিনিধিত্ব কৰা ৰাজ্যৰ ধনুৰ্বিদ জয়ন্ত তালুকদাৰক উপ আৰক্ষী অধীক্ষক পদত নিযুক্তি দিয়াৰ প্ৰস্তাৱতো অনুমোদন জনাইছে। একেদৰে জীৱন্ত ৰাস উদ্‌যাপন কৰা ধৰ্মীয় অনুষ্ঠানসমূহকো ২৫ হাজাৰ টকাকৈ আৰ্থিক অনুদান প্ৰদান কৰাৰ বাবে মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰিছে। একেদৰে ৰাজ্যৰ জীৱাশ্ম ইন্ধনৰ পৰিবৰ্তে গ্ৰীন অইল বা নেপিয়াৰ ঘাহৰ পৰা তেল প্ৰস্তুতৰ সম্ভাৱনীয়তাৰ অধ্যয়নৰ বাবে ৰিলায়েন্স বায়' এনাৰ্জীৰ সৈতে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰাৰ প্ৰস্তাৱতো কেবিনেটে অনুমোদন দিছে। কেবিনেটে লগতে চৰকাৰী চিকিৎসালয়ৰ বাবে ঔষধ ক্ৰয়ৰ উদ্দেশ্যে ১৭৫ কোটি টকা আৰু আৰক্ষী বিভাগৰ সামগ্ৰিক উন্নয়নৰ বাবে ৰূপায়ণ কৰি থকা মৈত্ৰী আঁচনিৰ বাবদ ১৫০ কোটি টকা অনুমোদন দিছে। এই আঁচনিখনে ৰাজ্যৰ সকলো চিকিৎসা মহাবিদ্যালয় হাস্পতাল, ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠান, আঞ্চলিক দন্ত মহাবিদ্যালয় আৰু চাহ বাগিছাৰ চিকিৎসালয়ত বিশেষ চিকিৎসাকে ধৰি ৰাজ্যৰ সকলো চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ বিনামুলীয়াকৈ অত্যাবশ্যকীয় ঔষধ, অস্ত্ৰোপচাৰৰ সামগ্ৰী আদিৰ যোগান ধৰিব। ৰাজ্যত চলি থকা বৃহৎ সংখ্যক আন্তঃগাথনি প্ৰকল্প নিয়াৰিকৈ সম্পন্ন কৰিবৰ বাবে আজি কেবিনেটে ৩৬ গৰাকী সহকাৰী অভিযন্তাক পুনৰ নিযুক্তিৰ বাবে অনুমোদন জনাইছে। কেবিনেটে মিছিং স্বায়ত্ত শাসিত পৰিষদৰ অধীনৰ গাঁৱসমূহৰ তালিকা সংশোধন সম্পৰ্কে এখন জাননি জাৰি কৰাৰ প্ৰস্তাৱতো অনুমোদন জনায়। তদুপৰি চাহ বাগিছাৰ কৰ্মচাৰীসকলৰ সামাজিক সুৰক্ষাৰ বাবে আজিৰ কেবিনেটে অসম চাহ খেতি ভৱিষ্যনিধি আৰু পেঞ্চন পুঁজি আঁচনিৰ দুটা দফা সংশোধনীত অনুমোদন জনাইছে। এই সংশোধনীৰ দ্বাৰা ১৫ হাজাৰ টকাৰ অধিক মজুৰি লাভ কৰা কৰ্মচাৰীসকলৰ ভৱিষ্যনিধিৰ ধন কৰ্তনৰ অনুমতি দিয়া হ'ব। ইপিনে, যাতায়াত আৰু জলসিঞ্চনৰ জৰিয়তে গ্ৰামোন্নয়নক উৎসাহিত কৰিবলৈ কেবিনেটে ৰাজ্যখনত ৯৭ টা গ্ৰাম্য পথ আৰু ৭০ টা ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্প নিৰ্মাণতো অনুমোদন জনাইছে।

০০০

ভাৰতবৰ্ষ এতিয়া বিশ্বৰ সন্মুখত সম্পূৰ্ণ সম্ভাৱনাৰে উদীয়মান তাৰকা সদৃশ আৰু এই সম্ভাৱনা বহন কৰি উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ নতুন প্ৰজন্মই নৱ জাগৰণ সৃষ্টিৰ বাবে আগুৱাই আহিব লাগিব বুলি উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে প্ৰকাশ কৰিছে। আজি গুৱাহাটীত কৃষ্ণগুৰু আন্তঃৰাষ্ট্ৰীয় আধ্যাত্মিক যুৱ সমাজৰ একবিংশ দ্বিবাৰ্ষিক সমাৱৰ্তনত দিয়া ভাষণত উপৰাষ্ট্ৰপতিগৰাকীয়ে এইকথা প্ৰকাশ কৰে। তেওঁ কয় যে, ভাৰতবৰ্ষ এতিয়া বিভিন্ন সুযোগ সন্ধানৰ ক্ষেত্ৰত অন্যতম কেন্দ্ৰ হিচাপে পৰিগণিত হৈছে আৰু যুৱক-যুৱতীসকলৰ বাবে চৰকাৰে বিভিন্ন নীতিৰ আধাৰত বিকাশৰ বাবে সুযোগ প্ৰদান কৰিছে। শ্ৰীধনখড়ে কয় যে, ভাৰতবৰ্ষই

শীঘ্রে জাপান, জাৰ্মানী আৰু অন্য বহু উন্নত ৰাষ্ট্ৰক অতিক্ৰম কৰি তৃতীয় বৃহৎ অৰ্থনীতি হিচাপে পৰিগণিত হ'ব। এই ক্ষেত্ৰত যুৱ প্ৰজন্মই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে বুলি তেওঁ উল্লেখ কৰে।

শ্ৰীধনখড়ে লগতে ভাৰতৰ আধ্যাত্মিক ঐতিহ্যৰ বিষয়ে মন্তব্য কৰি কয় যে ৫ সহশ্ৰাধিক বছৰ পুৰণি এই পৰম্পৰাক সৰোগত কৰি দেশখনৰ আধ্যাত্মিক গুৰুসকলে ঐতিহ্যক বহন কৰি আহিছে।

**বাইট**

আজিৰ অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা সন্মানীয় অতিথি হিচাপে উপস্থিত থকাৰ লগতে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু বি টি চিৰ মুখ্য কাযবাহী সদস্য প্ৰমোদ বড়ো বিশেষ অতিথি হিচাপে উপস্থিত থাকে।

উপ-ৰাষ্ট্ৰপতি শ্ৰীধনখড়ে আজি কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত তেওঁৰ সন্মানাৰ্থে আয়োজন কৰা সাংস্কৃতিক অনুষ্ঠান আৰু নৈশ ভোজমেলতো অংশগ্ৰহণ কৰিব।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ডিজিটেল এৰেষ্টৰ নামত চলা প্ৰৱঞ্চনাক লৈ উদ্বেগ প্ৰকাশ কৰিছে। আজি আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ ১১৫ সংখ্যক খণ্ডৰ যোগেদি ৰাষ্ট্ৰক সম্বোধন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, ডিজিটেল এৰেষ্টৰ নামত চলা এনে ধৰণৰ প্ৰৱঞ্চনা ৰোধ কৰাৰ বাবে সকলো তদন্তকাৰী সংস্থাই একেলগে কাম কৰি আছে। আইনৰ অধীনত কোনো লোকক ডিজিটেল এৰেষ্ট কৰাৰ কোনো ব্যৱস্থা নাই বুলি তেওঁ প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে এনেধৰণৰ প্ৰৱঞ্চনামূলক ফোন লাভ কৰিলে ভিতিগ্ৰস্ত নহ'বলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে। তদন্তকাৰী সংস্থাসমূহে ফোন অথবা ভিডিঅ' কলৰ মাধ্যমেৰে কেতিয়াও জেৰা নকৰে বুলি প্ৰধানমন্ত্ৰীয়ে স্পষ্ট কৰি দিয়ে। তেওঁ লগতে এনে ঘটনা পৰামৰ্শৰ বাবে ৰাষ্ট্ৰীয় চাইবাৰ হেল্পলাইন নম্বৰ ১৯৩০ ফোন কৰিবলৈ আৰু cybercrime.gov.inত ঘটনাৰ সবিশেষ জনাবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়। কাইলৈ বিশ্ব এনিমেছন দিৱস উদযাপনৰ বিষয়ে প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে ভাৰত এনিমেচন ক্ষেত্ৰত নতুন বিপ্লৱৰ সূচনা কৰাৰ পথত অগ্ৰসৰ হৈছে। লগতে জনসাধাৰণক এনিমেচন ক্ষেত্ৰত গোলকীয় শক্তিৰূপে গঢ়ি তোলাৰ সংকল্প গ্ৰহণ কৰিবলৈ আহ্বান জনায়। ভাৰতত গেমিং ক্ষেত্ৰৰ নিৰন্তৰ বিকাশ হৈছে আৰু ভাৰতীয় গেমসমূহ সমগ্ৰ বিশ্বতে জনপ্ৰিয় হৈ উঠিছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ স্পাইডাৰ মেন আৰু ট্ৰান্সফৰমাৰ্ছৰ দৰে চলচ্চিত্ৰত ভাৰতৰ হৰিনাৰায়ণ ৰাজীৱৰ অৱদানৰ বিষয়ে চৰ্চা কৰে। আত্মনিৰ্ভৰ ভাৰত অভিযানৰ সাফল্যক লৈ সন্তুষ্টি প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে এই অভিযান দেশৰ সমূহীয়া চেতনাৰ অংগ হৈ পৰিছে। এসময়ত বিশ্বত প্ৰতিৰক্ষা আহিলা পাতিৰ সৰ্ববৃহৎ ক্ৰেতাৰূপে পৰিচিত ভাৰত সম্প্ৰতি ৮৫ খন দেশলৈ এনেধৰণৰ আহিলা পাতি ৰপ্তানি কৰিবলৈ লৈছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, ভাৰত চন্দ্ৰপৃষ্ঠৰ দক্ষিণ মেৰুত অৱতৰণ কৰা বিশ্বৰ প্ৰথমখন দেশৰূপে পৰিগণিত হৈছে। তেওঁ লগতে লাডাখৰ হানলেত এইমাহত এছিয়াৰ সৰ্ববৃহৎ ইমাজিং টেলিস্কোপ এম এ চি ই মুকলি কৰা হৈছে বুলি জানিবলৈ দিয়ে। ভাৰততে নিৰ্মিত এই টেলিস্কোপটো ৪ হাজৰ ৩শ মিটাৰ উচ্চতাত অৱস্থিত বুলি প্ৰধানমন্ত্ৰীয়ে জানিবলৈ দিয়ে। শ্ৰীমোদীয়ে শ্ৰোতাসকলক সামাজিক মাধ্যমযোগে উদ্ভাৱন আৰু আত্মনিৰ্ভৰ ভাৰতৰ নিদৰ্শনৰ বিষয়ে অৱগত কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে জনসাধাৰণক উৎসৱৰ এই বতৰত ভোকেল ফৰ লোকেল মন্ত্ৰৰে সামগ্ৰী ক্ৰয় কৰিবলৈ কয়। প্ৰধানমন্ত্ৰীয়ে আজিৰ মন কী বাত অনুষ্ঠানত সাহস আৰু দূৰদৃষ্টি প্ৰতিমুৰ্তিস্বৰূপ চৰ্দাৰ বল্লভ ভাই পেটেল আৰু ভগৱান বীৰচা মুণ্ডাৰ বিষয়ে আলোচনা কৰে।

০০০

ৰাজ্যৰ পাঁচটা সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে নিজ দলৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অব্যাহত ৰাখিছে। বিজেপিৰ নেতা-কৰ্মীসকলে উপ-নিৰ্বাচন হ'বলগীয়া সমষ্টিসমূহৰ কেইবাটাও প্ৰান্তত প্ৰচাৰ চলায়। বঙাইগাঁও সমষ্টিৰ নিৰ্বাচনী প্ৰচাৰ সন্দৰ্ভত আমাৰ সংবাদদাতা তেজছ ত্ৰিপাঠীয়ে এইদৰে কয় -

**ভইছ কাষ্ট**

ইপিনে, অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন বৰাই আজি বিহালী সমষ্টিত দলীয় প্ৰাৰ্থী জয়ন্ত বৰাৰ হৈ প্ৰচাৰ চলায়। সাংসদ ৰকিবুল হুছেইনে চামগুৰি সমষ্টিৰ ভিন্ন প্ৰান্তত তাঞ্জিল হুছেইনৰ হৈ প্ৰচাৰ সভাত অংশ লয়।

০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ তত্বাৱধানত আজি ৰাজ্যৰ চতুৰ্থ বৰ্গৰ মুঠ ৫ হাজাৰ ২৩টা খালী পদৰ বাবে লিখিত পৰীক্ষা অনুষ্ঠিত হয়। পুৱা ৯ বজাৰ পৰা দশম শ্ৰেণী উত্তীৰ্ণ প্ৰাৰ্থীৰ বাবে পৰীক্ষা অনুষ্ঠিত হোৱাৰ লগতে ডেৰ বজাৰ পৰা অষ্টম শ্ৰেণী উত্তীৰ্ণ প্ৰাৰ্থীৰ বাবে এই পৰীক্ষা অনুষ্ঠিত হয়।

ইপিনে এই পৰীক্ষা স্বচ্ছ আৰু নিকাভাৱে অনুষ্ঠিত কৰাৰ লক্ষ্যৰে ৰাজ্যজুৰি পুৱাৰে পৰা বিয়লি ৪ বজালৈ ইণ্টাৰনেট কৰ্তন কৰা হয়।

০০০

ভাৰতীয় মহিলা ক্ৰিকেট দলে আজি আহমেদাবাদত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। নিউজিলেণ্ডে টছত জিকি প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লয়। দলটোৱে নিৰ্ধাৰিত অভাৰত ৯টা উইকেট

হেৰুৱাই ২৫৯ ৰাণ সংগ্ৰহ কৰে। ইয়াৰ প্ৰত্যুত্তৰত ভাৰতে বাতৰি লিখাৰ পৰলৈকে ১৫ অভাৰত ৪টা উইকেট হেৰুৱাই ৭৬ ৰাণ সংগ্ৰহ কৰে।

০০০

গুৱাহাটীৰ লোকসেৱা ভৱনত অনুষ্ঠিত ৰাজ্যিক কেবিনেটৰ বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। কেবিনেটে ৰাজ্য চৰকাৰৰ অধীনৰ কৰ্মচাৰীসকলৰ মৰগীয়া বানচ ৩ শতাংশ বৃদ্ধিৰ প্ৰস্তাৱত অনুমোদন জনাইছে। এই সিদ্ধান্ত চলিত বছৰৰ ১ জুলাইৰ পৰা প্ৰযোজ্য হ'ব। অৱশ্যে কৰ্মচাৰীসকলে পহিলা ডিচেম্বৰৰ পৰা বৰ্ধিত হাৰত মৰগীয়া বানচ লাভ কৰিব আৰু বাকী ৪ মাহৰ বাবে কৰ্মচাৰীসকলক ৪ টা কিস্তিত বকেয়া প্ৰদান কৰা হ'ব। ৰাজ্য চৰকাৰে এই বৃদ্ধিৰ বাবে বছৰি অতিৰিক্ত ৮ কোটি ৫০ লাখ টকা ব্যয় কৰিব।

**বাইট**

কেবিনেটে কমনৱেল্‌থ গেমছ আৰু অলিম্পিকত দেশক প্ৰতিনিধিত্ব কৰা ৰাজ্যৰ ধনুৰ্বিদ জয়ন্ত তালুকদাৰক উপ আৰক্ষী অধীক্ষক পদত নিযুক্তি দিয়াৰ প্ৰস্তাৱতো অনুমোদন জনাইছে। একেদৰে জীৱন্ত ৰাস উদ্‌যাপন কৰা ধৰ্মীয় অনুষ্ঠানসমূহকো ২৫ হাজাৰ টকাকৈ আৰ্থিক অনুদান প্ৰদান কৰাৰ বাবে মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰিছে। একেদৰে ৰাজ্যৰ জীৱাশ্ম ইন্ধনৰ পৰিৱৰ্তে গ্ৰীন অইল বা নেপিয়াৰ ঘাহৰ পৰা তেল প্ৰস্তুতৰ সম্ভাৱনীয়তাৰ অধ্যয়নৰ বাবে ৰিলায়েন্স বায়' এনাৰ্জীৰ সৈতে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰাৰ প্ৰস্তাৱতো কেবিনেটে অনুমোদন দিছে। কেবিনেটে লগতে চৰকাৰী চিকিৎসালয়ৰ বাবে ঔষধ ক্ৰয়ৰ উদ্দেশ্যে ১৭৫ কোটি টকা আৰু আৰক্ষী বিভাগৰ সামগ্ৰিক উন্নয়নৰ বাবে ৰূপায়ণ কৰি থকা মৈত্ৰী আঁচনিৰ বাবদ ১৫০ কোটি টকা অনুমোদন দিছে। এই আঁচনিখনে ৰাজ্যৰ সকলো চিকিৎসা মহাবিদ্যালয় হাস্পতাল, ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠান, আঞ্চলিক দন্ত মহাবিদ্যালয় আৰু চাহ বাগিছাৰ চিকিৎসালয়ত বিশেষ চিকিৎসাকে ধৰি ৰাজ্যৰ সকলো চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ বিনামুলীয়াকৈ অত্যাবশ্যকীয় ঔষধ, অস্ত্ৰোপচাৰৰ সামগ্ৰী আদিৰ যোগান ধৰিব। ৰাজ্যত চলি থকা বৃহৎ সংখ্যক আন্তঃগাথনি প্ৰকল্প নিয়াৰিকৈ সম্পন্ন কৰিবৰ বাবে আজি কেবিনেটে ৩৬ গৰাকী সহকাৰী অভিযন্তাক পুনৰ নিযুক্তিৰ বাবে অনুমোদন জনাইছে। কেবিনেটে মিছিং স্বায়ত্ত শাসিত পৰিষদৰ অধীনৰ গাঁৱসমূহৰ তালিকা সংশোধন সম্পৰ্কে এখন জাননি জাৰি কৰাৰ প্ৰস্তাৱতো অনুমোদন জনায়। তদুপৰি চাহ বাগিছাৰ কৰ্মচাৰীসকলৰ সামাজিক সুৰক্ষাৰ বাবে আজিৰ কেবিনেটে অসম চাহ খেতি ভৱিষ্যনিধি আৰু পেঞ্চন পুঁজি আঁচনিৰ দুটা দফা সংশোধনীত অনুমোদন জনাইছে। এই সংশোধনীৰ দ্বাৰা ১৫ হাজাৰ টকাৰ অধিক মজুৰি লাভ কৰা কৰ্মচাৰীসকলৰ ভৱিষ্যনিধিৰ ধন কৰ্তনৰ অনুমতি দিয়া হ'ব। ইপিনে, যাতায়াত আৰু জলসিঞ্চনৰ জৰিয়তে গ্ৰামোন্নয়নক উৎসাহিত কৰিবলৈ কেবিনেটে ৰাজ্যখনত ৯৭ টা গ্ৰাম্য পথ আৰু ৭০ টা ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্প নিৰ্মাণতো অনুমোদন জনাইছে। ০০০০০

Review (27-10-2024) Even

অসম চৰকাৰৰ ৩ৰ পৰা ৯ নৱেম্বৰলৈ **ভাষা গৌৰৱ সপ্তাহ** পালন, কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীৰ সৈতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বৈঠক, ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ বাবে হ'বলগীয়া আসন্ন উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ তৎপৰতা, কালিৰে পৰা অষ্টম চলচিত্ৰম ৰাষ্ট্ৰীয় চলচিত্ৰ মহোৎসৱ-২০২৪ আদিকে ধৰি বিভিন্ন বাতৰিয়ে বিগত সপ্তাহত আকাশবাণীৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰে।

অসম চৰকাৰে অসমীয়া ভাষাই ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি লাভ কৰাৰ আনন্দ উদ্‌যাপনৰ বাবে অহা ৩ৰ পৰা ৯ নৱেম্বৰলৈ **ভাষা গৌৰৱ সপ্তাহ** পালন কৰিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পৰামৰ্শমৰ্মে প্ৰতিখন জিলাতে এই সপ্তাহৰ কাৰ্যসূচীৰ অংশ হিচাপে অসমৰ বৰেণ্য সাহিত্যিকসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদনৰ উপৰি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

যোৰহাটৰ পৰা ডিব্ৰুগড়লৈ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ কাম শীঘ্ৰেই সম্পূৰ্ণ হ'ব বুলি কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীৰ সৈতে অলপতে হোৱা বৈঠকৰ পাছত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যত চলি থকা বিভিন্ন ঘাইপথ প্ৰকল্পৰ অগ্ৰগতি সন্দৰ্ভত অলপতে নতুন দিল্লীত কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ দপ্তৰৰ মন্ত্ৰী নীতিন গাডকাৰীৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকত অংশগ্ৰহণ কৰে। বিভিন্ন সংস্থাৰ দ্বাৰা ৰূপায়ণ কৰা ৫৭টা মুখ্য ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণকৰণ সন্দৰ্ভত বৈঠকত আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকল্পসমূহৰ কাম ত্বৰান্বিত কৰাৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক আহ্বান জনায়।

কাজিৰঙা এলিভেটেড কৰিড'ৰৰ বিস্তৃত প্ৰকল্পৰ প্ৰতিবেদন দাখিল কৰিবলৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বিষয়াসকলক নিৰ্দেশ দিয়ে। বৈঠকত বাইহাটা চাৰিআলি-তেজপুৰ ঘাইপথ সম্প্ৰসাৰিত চাৰিলেনযুক্তকৰণ, কমলাবাৰী আৰু নিমাতীঘাট সংযোগী মাজুলী দলঙৰ পুনৰ নিবিদা সন্দৰ্ভতো আলোচনা কৰা হয়। ইয়াৰ লগতে ব্ৰহ্মপুত্ৰৰ তলেৰে গহপুৰ-নুমলীগড় সুৰংগৰ নিৰ্মাণৰ অগ্ৰগতি সন্দৰ্ভতো বৈঠকত আলোচনা হয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে নৱেম্বৰৰ শেষলৈ ১২১ কিলোমিটাৰ দৈৰ্ঘ্যৰ গুৱাহাটী ৰিং ৰোডৰ নিবিদা কাৰ্য সম্পূৰ্ণ কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে। বৈঠকত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে সুচল যাতায়াত, যোগাযোগ ব্যৱস্থা, আঞ্চলিক সংযোগ আৰু অৰ্থনৈতিক বৃদ্ধিৰ বাবে প্ৰকল্পসমূহ ক্ষীপ্ৰতাৰে ৰূপায়ণ হ'ব বুলি আশ্বাস দিয়ে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে অসমৰ সাংসদসকলে এই বৈঠকত অংশ লয়।

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ বাবে হ'বলগীয়া আসন্ন উপ-নিৰ্বাচনৰ বাবে আটাইকেইটা ৰাজনৈতিক দল তথা নিৰ্দলীয় প্ৰাৰ্থীকে ধৰি মুঠ ৩৮ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। উল্লেখযোগ্য যে পৰহি মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিনা ২৪ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন-পত্ৰ দাখিল কৰে।

গুৱাহাটীৰ জ্যোতি চিত্ৰবনত কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে অষ্টম চলচিত্ৰম ৰাষ্ট্ৰীয় চলচিত্ৰ মহোৎসৱ-২০২৪ আৰম্ভ হৈছে। এই মহোৎসৱত প্ৰতিযোগিতা আৰু প্ৰদৰ্শনী- এই দুয়োটা শাখাত ৫০ খন তথ্যচিত্ৰ আৰু চুটি ছবি প্ৰদৰ্শন কৰা হয়। চলচ্চিত্ৰৰ জৰিয়তে ৰাষ্ট্ৰীয়তাবাদক উৎসাহিত কৰাৰ লগতে ভাৰতৰ কেইবা হাজাৰ বৰ্ষ পুৰণি সভ্যতা, সংস্কৃতি আৰু ঐতিহ্যক শ্ৰদ্ধা জ্ঞাপনৰ উদ্দেশ্যে **আমাৰ ঐতিহ্য আমাৰ গৌৰৱ** মূল বিষয়বস্তুৰে এই মহোৎসৱ অনুষ্ঠিত কৰা হয়।

গোৱাৰ পানাজীত অলপতে অনুষ্ঠিত ৰাষ্ট্ৰীয় পেৰা সাঁতোৰ প্ৰতিযোগিতাত অসমে মুঠ ৯টা পদক অৰ্জন কৰিছে। অসমৰ পৰা কৃষ্ণ দাসে দুটাকৈ সোণৰ পদক অৰ্জন কৰে। সাঁতোৰবিদগৰাকীয়ে ১০০ মিটাৰ বেষ্ট ষ্ট্ৰ'ক আৰু ২০০ মিটাৰ ফ্ৰী ষ্টাইল শাখাত সোণৰ পদক লাভ কৰে। আনহাতে সূৰ্য শইকীয়াই তৃতীয়টো স্বৰ্ণ পদক অৰ্জন কৰে। তেওঁ ৫০ মিটাৰ বেষ্ট ষ্ট্ৰ'কত সোণ আৰু ৫০ মিটাৰ ফ্ৰী ষ্টাইল শাখাত ৰূপৰ পদক অৰ্জন কৰে। প্ৰতিযোগিতাত অসমৰ ইয়েছমিন খাতুনে তিনিটা ৰূপৰ পদক আৰু ছাজিদা বেগমে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ সাঁতোৰ প্ৰশিক্ষক তথা অসম পেৰালিম্পিক সন্থাৰ সম্পাদক ৰাজীৱ দে'ৰ নেতৃত্বত যোৱা অসমৰ ৮ জনীয়া দলটোৰ সফলতাত অসম পেৰালিম্পিক সন্থাই সন্তুষ্টি প্ৰকাশ কৰিছে।

এয়া আছিল বিগত সপ্তাহত আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰা মুখ্য বাতৰিত চমু অৱলোকন।

ooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ প্ৰাক্তন ৰাষ্ট্ৰপতি কে আৰ নাৰায়ণনৰ জন্মবাৰ্ষিকীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। প্ৰয়াত নাৰায়ণন দেশৰ দশম সংখ্যক ৰাষ্ট্ৰপতি আছিল। তেওঁ ১৯৯৭ চনৰ ২৫ জুলাইৰ পৰা ২০০২ চনৰ ২৫ জুলাইলৈ ৰাষ্ট্ৰপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ইয়াৰ লগতে তেওঁ ১৯৯২ চনৰ ২৭ অক্টোবৰৰ পৰা ১৯৯৭ চনৰ ২৪ জুলাইলৈ উপ-ৰাষ্ট্ৰপতি হিচাপে কাৰ্যনিৰ্বাহ কৰে।

ooo

ভাৰতীয় তাৰকা শ্বাটলাৰ সুকান্ত কদমে জাপান পেৰা বেডমিণ্টন ইণ্টাৰনেশ্যনেল ২০২৪ প্ৰতিযোগিতাত পুৰুষৰ একক শাখাত সোণৰ পদক অৰ্জন কৰিছে। সুকান্তে একক শাখাত ভাৰতীয় শ্বাটলাৰ তৰুণক ২১-১২, ২১-১০ ব্যৱধানত পৰাস্ত কৰে। পুৰুষৰ ডাবলছ্ শাখাত সুকান্ত কদম আৰু দিনেশ ৰাজায়াহৰ যুটীয়ে ৰূপৰ পদক দখল কৰে।

ooo

চলিত বৰ্ষৰ আগষ্ট মাহত কৰ্মচাৰীৰ ৰাজ্যিক বীমা আঁচনিৰ অধীনত দেশৰ ২০ লাখ ৭৪ হাজাৰৰো অধিক নতুন কৰ্মচাৰী অন্তৰ্ভুক্ত হৈছে। যোৱা বৰ্ষৰ তুলনাত নতুন কৰ্মচাৰী অন্তৰ্ভুক্তিৰ হাৰ ৬ দশমিক ৮ শতাংশ বৃদ্ধি পাইছে। নতুনকৈ অন্তৰ্ভুক্ত হোৱা কৰ্মচাৰীসকলৰ ভিতৰত প্ৰায় ৯ লাখ ৯০ হাজাৰ কৰ্মচাৰীৰ বয়স সৰ্বাধিক ২৫ বছৰ। আগষ্ট মাহত ৪ লাখ ১৪ হাজাৰ মহিলাৰ নাম ৰাজ্যিক বীমা আঁচনিৰ অধীনত অন্তৰ্ভুক্ত কৰা হৈছে। শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ৰ প্ৰকাশিত তথ্য অনুসৰি আগষ্ট মাহত ২৮ হাজাৰ ৯১৭টা নতুন প্ৰতিষ্ঠান এই আঁচনিৰ অন্তৰ্ভুক্ত কৰা হৈছে।

ooo

ঃঃ সমাপ্ত ঃঃ